# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-11-2025
**Time :** 18-00 Hrs

**ASSAMESE EVEN BULLETIN**

:::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

অসম বিধানসভাৰ শীতকালীন অধিৱেশনৰ আজি দ্বিতীয় দিনা ১৫ খন ন-পুৰণি বিধেয়ক সদনত উত্থাপন হয়। ইয়াৰ ভিতৰত ৩ খন নতুন আৰু ১২ খন সংশোধনী বিধেয়ক আছে। সদনত উত্থাপন হোৱা নতুন বিধেয়ক অনুসৰি ৰাজ্যত নেৰিম আৰু আজিম প্ৰেমজী বিশ্ববিদ্যালয়ৰ নামেৰে দুখন নতুন বিশ্ববিদ্যালয় হ'ব। আজি সদনত অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ পদ প্ৰাদেশিকীকৰণ সংশোধনী বিধেয়ক উত্থাপন কৰা হয়। অপ্ৰাদেশিকীকৃত শিক্ষক-কৰ্মচাৰীৰ প্ৰাদেশিকীকৰণৰ বাবে পূৰ্বতে আইনত থকা চৰ্তসমূহৰ অধিকাংশ চৰ্ত শিথিলকৰণৰ বাবে আজি সদনত উত্থাপন হোৱা এই ২০২৫ৰ নিৰ্দিষ্ট সংশোধনী বিধেয়কখনৰ জৰিয়তে শিক্ষা বিভাগে প্ৰস্তাৱ দিছে। এই সংশোধনী বিধেয়ক পাৰিত হ'লে অপ্ৰাদেশিকীকৃত শিক্ষানুষ্ঠানত বছৰৰ পাছত বছৰজুৰি বিনা বেতনে সেৱা আগবঢ়াই অহা শিক্ষক-কৰ্মচাৰীৰ পদসমূহ শীঘ্ৰেই প্ৰাদেশিকীকৰণ হ'ব। এই বিধেয়কখনৰ উপৰি শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে বেচৰকাৰী শিক্ষা প্ৰতিষ্ঠানৰ মাচুল নিয়ন্ত্ৰণ সংশোধনী বিধেয়ক, মিচিং স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, ৰাভা হাচং স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, তিৱা স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, দেউৰী স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, সোণোৱাল কছাৰী স্বায়ত্তশাসিত সংশোধনী বিধেয়ক, বড়ো কছাৰী কল্যাণ স্বায়ত্তশাসিত সংশোধনী বিধেয়ক সদনত উত্থাপন কৰে।

০০০০০০০০

বিগত চাৰে চাৰি বছৰত ৰাজ্যত নতুনকৈ এহেজাৰ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণ কৰা হৈছে। প্ৰশ্নোত্তৰ ঘণ্টাত এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত সদনত জলসম্পদ বিভাগৰ মন্ত্ৰী পীযূষ হাজৰিকাই এই তথ্য প্ৰকাশ কৰে। মন্ত্ৰীগৰাকীয়ে লগতে কয়, যে ৰাজ্যৰ মথাউৰিৰ প্ৰয়োজন থকা ১,১০০ৰ পৰা ১,১৫০ কিলোমিটাৰ দৈৰ্ঘ্যজোৰা অঞ্চলত মথাউৰি নাছিল। চলিত বিত্তীয় বৰ্ষতে আন ৭০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰি নিৰ্মাণৰ বাবে পুঁজি আৱণ্টন দিয়া হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। প্ৰথমবাৰৰ বাবে ৰাজ্যত ১,১০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ মথাউৰিৰ পকীকৰণ কৰা হ'ব বুলিও মন্ত্ৰীগৰাকীয়ে সদনৰ দৃষ্টিগোচৰ কৰে। ৰাজ্যৰ বান নিয়ন্ত্ৰণৰ স্বাৰ্থত ৰাজ্যত ক্ৰমেও ৯টা জলাশয় খননৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে প্ৰথম পৰ্যায়ত ৬৯৫ কোটি টকা আৱণ্টন দিছে। সেই মৰ্মে শীঘ্ৰেই ইয়াৰ বাবে প্ৰয়োজনীয় নিবিদা আহ্বান কৰা হ'ব বুলিও সদনত মন্ত্ৰী পীযূষ হাজৰিকাই জনায়।

০০০০

সমগ্ৰ শিক্ষা সোণাৰী শিক্ষা খণ্ডৰ উদ্যোগত আজি চৰাইদেউ জিলাৰ কচুমাৰী উচ্চ মাধ্যমিক বিদ্যালয়ত বুনিয়াদী সাক্ষৰতা আৰু সাংখ্যিকতাৰ শিক্ষণ সামগ্ৰী প্ৰদৰ্শন আৰু প্ৰতিযোগিতা অনুষ্ঠিত হয়। ৰাষ্ট্ৰীয় শিক্ষা নীতি

২০২০ৰ লক্ষ্য অনুসৰি প্ৰাথমিক পৰ্যায়ত শিক্ষাৰ মান উন্নত কৰাৰ বাবে শিক্ষকসকলৰ মাজত সৃষ্টিশীলতা আৰু নতুনত্বক উদগণি যোগোৱাৰ উদ্দেশ্যেৰে এই প্ৰতিযোগিতাখন আয়োজন কৰা হয়। প্ৰতিযোগিতাখন মাহমৰা সমজিলাৰ আয়ুক্ত বানছেংফা বৰুৱাই আনুষ্ঠানিকভাৱে মুকলি কৰে। প্ৰতিযোগিতাখনত সোণাৰী শিক্ষা খণ্ডৰ অধীনৰ ৪৩টা ক্লাষ্টাৰৰ বিদ্যালয়ৰ প্ৰতিযোগীয়ে অংশগ্ৰহণ কৰে।

**বাইট (বানছেংফা বৰুৱা)**

০০০০০

আজি সংবিধান দিৱস। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি সংবিধান দিৱস উপলক্ষে নতুন দিল্লীৰ সংবিধান সদনৰ কেন্দ্ৰীয় কক্ষত সংবিধানৰ প্ৰস্তাৱনা পাঠৰ গুৰি ধৰে। এই উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে সংবিধান ৰাষ্ট্ৰীয় পৰিচয়ৰ ভেটিস্বৰূপ আৰু ই ৰাষ্ট্ৰক ঔপনিৱেশিক মানসিকতাক পৰিহাৰ কৰি ৰাষ্ট্ৰীয় দৃষ্টিভংগীৰে আগুৱাই লৈ যোৱাৰ পথ প্ৰদৰ্শক পৰিকাঠামো। সংবিধান দিৱসৰ লগত সংগতি ৰাখি ৰাষ্ট্ৰপতিগৰাকীয়ে সংবিধানৰ অসমীয়া, বড়ো, মালায়ালম, মাৰাঠী, নেপালী, পাঞ্জাৱী, কাশ্মিৰী, তেলেগু আৰু উড়িয়া ভাষালৈ অনুদিত সংস্কৰণ উন্মোচন কৰে। এই উপলক্ষে পঞ্চায়তীৰাজ মন্ত্ৰালয়ে আজি সমগ্ৰ দেশতে তিনি-তৰপীয়া পঞ্চায়তীৰাজ প্ৰতিষ্ঠান আৰু স্থানীয় গ্ৰামীণ পৰিচালনা সমিতিসমূহে বিশেষ কাৰ্যসূচী গ্ৰহণ কৰাৰ লগতে সংবিধানৰ প্ৰস্তাৱনা পাঠ কৰে। ইয়াৰ লগতে সকলো কৰ্মচাৰীৰ বাবে **ন' ইওৰ কনষ্টিটিউচন** বিষয়ত কুইজ আৰু ৰচনা প্ৰতিযোগিতাৰো আয়োজন কৰা হয়। দেশৰ সকলো গাঁও পঞ্চায়তৰ সদস্যসকলে স্থানীয় ভাষাত প্ৰস্তাৱনা পাঠ কৰাৰ লগতে সংবিধানৰ সৈতে জড়িত বিভিন্ন আলোচনা আৰু কুইজ প্ৰতিযোগিতাৰ আয়োজন কৰা হয়। অসমতো আজি সংবিধান দিৱসৰ কাৰ্যসূচী ৰূপায়ন কৰা হয়।

যোৰহাট আৰক্ষীয়ে আজি সংবিধান দিৱস উপলক্ষে প্ৰস্তাৱনা পাঠ কৰাৰ লগতে নাগৰিকৰ প্ৰতি ন্যায় আৰু নিষ্ঠাৰে দায়িত্ব পালনৰ সংকল্প লয়। ভাৰতীয় জনতা পাৰ্টীৰ ডিব্ৰুগড় জিলাৰ মুখ্য কাৰ্যালয়ত অনুসূচীত জাতি মৰ্চা জিলা সমিতিৰ সহযোগত আজি সংবিধান দিৱস পালন কৰা হয়। এই উপলক্ষে চৰাইদেউ জিলাৰ ভৱানীপ্ৰসাদ বৰুৱা সোঁৱৰণি মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড০ বাৰিন্দ্ৰ দাসে মুখ্য বক্তা হিচাপে ভাষণ আগবঢ়ায়।

০০০০০০

সমাপ্ত